মুদ্ৰাত সকলোবোৰ সম্পদ অন্তৰ্ভুক্ত কৰা হয় যিসমূহ প্ৰচলিত মুদ্ৰা আৰু স্থায়ী জমাৰ সম্পূৰ্ণ বিকল্প।

(iii) **তাৰল্যতাৰ দৃষ্টিভঙ্গী** (Liquidity Approach) ঃ গাৰ্লে আৰু ৰেডক্লিফ কমিটি (Gurely and Redciffe Committee) য়ে মুদ্ৰাৰ সংজ্ঞাৰ ক্ষেত্ৰত তাৰল্যতাৰ দৃষ্টিভঙ্গী আগবঢ়াইছে। এই দৃষ্টিভঙ্গী অনুসৰি মুদ্ৰাৰ পৰিধিত মুদ্ৰাতত্ত্ববিদ সকলে আগবঢ়োৱা মুদ্ৰাৰ উপাদান সমূহৰ বাদেও অনা বিত্তীয় (Non-banking) প্ৰতিষ্ঠান সমূহৰ লেনদেনো অন্তৰ্ভুক্ত কৰা হৈছে। সেই অনুসৰি মুদ্ৰা (M) ই প্ৰচলিত মুদ্ৰা (C), চলিত জমা (DD), স্থায়ী জমা (TD), সঞ্চয় বেংক জমা (SB), অংশ প্ৰত্ৰ (Shares), বণ্ড (Bond) আদিক সাঙুৰি লয়। গতিকে,

$$M = C+DD+TD+SB+S+B \text{ আদি।}$$

তাৰল্যতাৰ দৃষ্টিভঙ্গীয়ে মুদ্ৰাৰ সংজ্ঞা নিৰূপণৰ ক্ষেত্ৰত বিকল্পতা নীতি (Substitutbility criterion) প্ৰয়োগ কৰি প্ৰচলিত মুদ্ৰাৰ পৰিমাণ, চলিত জমা আদিত ভাৰ (Weightage) প্ৰদান কৰিছে। সেই অনুসৰি প্ৰচলিত মুদ্ৰা আৰু চলিত জমাৰ ক্ষেত্ৰত একক (Unit) ভাৰ প্ৰদান কৰা হৈছে। আনহাতে, যি সমূহ সম্পদৰ প্ৰচলিত মুদ্ৰা আৰু চলিত জমাৰ সৈতে কোনো প্ৰকাৰে সম্পৰ্কিত নহয়, সেইবোৰৰ ক্ষেত্ৰত শূণ্য (Zero) ভাৰ দিয়া হৈছে। আকৌ যিবোৰ সম্পদ প্ৰচলিত মুদ্ৰা আৰু চলিত জমাৰ সৈতে অসম্পূৰ্ণ বিকল্প তেনে সম্পদৰ ক্ষেত্ৰত শূণ্য আৰু একৰ মাজত ভাৰ প্ৰদান কৰা হৈছে।

(iv) **কেন্দ্ৰীয় বেংকৰ দৃষ্টিভঙ্গী** (The Central Bank Approach) ঃ কেন্দ্ৰীয় বেংকৰ দৃষ্টিভঙ্গীয়ে আৰু এখোজ আগুৱাই গৈ মুদ্ৰাৰ পৰিধিত অৰ্ন্তভূক্ত উপাদান সমূহৰ পৰিসৰ বৃদ্ধি কৰিছে। গতিকে এই দৃষ্টিভঙ্গীয়ে মুদ্ৰা (M)ত অৰ্ন্তভূক্ত কৰা উপদান সমূহ হ'ল প্ৰচলিত মুদ্ৰা (C), চলিত জমা (DD), স্থায়ী জমা (TD), অনা-বিত্তীয় প্ৰতিষ্ঠান (NBFI)-ৰ জমা আৰু অসংগঠিত সংস্থা সমূহৰ জমা (CUA)। গতিকে—

$$M = C+DD+TD+NBFI+CUA$$

## 3.3 মুদ্ৰাৰ কাৰ্য্যাৱলী (Functions of Money) ঃ

সাম্প্ৰতিক সময়ত মুদ্ৰাই বিভিন্ন কাৰ্য্য সম্পাদন কৰে। মুদ্ৰাৰ বিভিন্ন কাৰ্য্যাৱলীক মূলতঃ তিনিটা বহল ভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ হ'ল—

1. **প্ৰাথমিক কাৰ্য্যাৱলী** (Primary Functions) ঃ
2. **গৌণ কাৰ্য্যাৱলী** (Secondary Functions) ঃ
3. **আনুসংগিক কাৰ্য্যাৱলী** (Contingent Functions) ঃ

উল্লেখিত মুদ্ৰাৰ কাৰ্য্যাৱলী তিনিটাক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

### 1. মুদ্ৰাৰ প্ৰাথমিক কাৰ্য্যাৱলী (Primary Functions of Money) ঃ

(i) **বিনিময়ৰ মাধ্যম** (Medium of exchange) ঃ মুদ্ৰাৰ দুটা প্ৰাথমিক কাৰ্য্যৰ ভিতৰত বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাৰ কাৰ্য্য অতি গুৰুত্বপূৰ্ণ। বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাৰ কাৰ্য্যকাৰিতা নিৰ্ভৰ কৰে, বয়-বস্তু আৰু



সেৱা বিনিময়ত মুদ্ৰাৰ সৰ্ব্বজন গ্ৰহণযোগ্যতা। দ্ৰব্যৰ প্ৰত্যক্ষ বি
অভাৱৰ সম্পৰ্কহীনতা সমস্যা বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাই
সমাজক বিভিন্ন প্ৰকাৰে লাভান্বিত কৰে। প্ৰথমে, মুদ্ৰাই পণ্য
কৰে। দ্বিতীয়তে, বয়-বস্তু আৰু সেৱাৰ গুণিতক বিনিময় কম
বৃদ্ধি কৰে। তৃতীয়তে, বণ্টনৰ কাৰ্য্যদক্ষতা বৃদ্ধি কৰি উৎপাদন
কৰে। চতুৰ্থতে, মুদ্ৰাই ব্যক্তিৰ দ্ৰব্য সামগ্ৰী নিৰ্বাচনৰ স্বাধীনত

অৱশ্যে কিছুসংখ্যক অৰ্থনীতিবিদে উল্লেখ কৰে যে, মুদ্ৰাই কেৱ
পৰিশোধৰ মাধ্যম হিচাপেও কাৰ্য্য সম্পাদন কৰে। তেওঁলোকে এনেদ
অৱশ্যে প্ৰত্যেকটো পৰোক্ষ বিনিময়ৰ ক্ষেত্ৰতে পৰিশোধ জড়িত হৈ থ
পাৰ্থক্যৰ প্ৰয়োজন নাই।

(ii) **মূল্যৰ জোখ** (Measure of Value) ঃ মুদ্ৰাই মূল্য ে
জৰিয়তে বিভিন্ন দ্ৰব্য সামগ্ৰী আৰু সেৱা মূল্যৰ জোখ আ
আৰু সেৱাৰ দামৰ তুলনাৰ জৰিয়তে লেনদেন সমস্যা স

মুদ্ৰাই হিচাপৰ একক হিচাপেও কাম কৰে; ই হিচাপ পদ্ধতি কাৰ
বিভিন্ন এককত যেনে, কুইন্টল, মিটাৰ, লিটাৰ ইত্যাদিত প্ৰকাশ কৰি এ
আৰু অঞ্চলভিত্তিক তুলনা সম্ভৱ কৰে। জাতীয় আয়ৰ হিচাপ, প্ৰকল্পৰ
ইয়েই একমাত্ৰ ভিত্তি।

অৱশ্যে কেতিয়াবা দ্ৰব্য সামগ্ৰী ঋণৰ জৰিয়তে ক্ৰয় কৰা হয়
লগে লগে বিক্ৰেতাই তেওঁৰ প্ৰয়োজনীয় দ্ৰব্যসমূহ পূৰ্বৰ ক্ৰেতাৰ
ক্ষেত্ৰত মুদ্ৰা শাৰিৰীকভাৱে দৃশ্যপটলৈ নাহে, কিন্তু হিচাপৰ বহীত অ
ঋণেও মুদ্ৰা প্ৰতিনিধিত্ব কৰে।

এক প্ৰকাৰৰ মুদ্ৰা বিনিময় আৰু পৰিশোধৰ মাধ্যম হিচাপে ক
জোখ (Unit of account) লোৱাৰ উদাহৰণ পোৱা যায়। এই
জাৰ্মানীত যেতিয়া দৰম্ভৰ অত্যন্ত বৃদ্ধি পাইছিল, তেতিয়া বিনিময় ক
আৰু প্ৰকৃত পৰিশোধ কাৰ্য্য জাৰ্মাণ মাৰ্কৰ জৰিয়তে প্ৰকাশ কৰা হৈ
কৰা হয়। অৱশ্যে ই এক কাৎসিত পৰিস্থিতি আৰু দীঘদিনৰ বাবে

### 2. মুদ্ৰাৰ গৌণ কাৰ্য্যৱলী (Secondary Functions of M

(i) **মূল্যৰ সঞ্চয়** (Store of Value) ঃ মুদ্ৰাৰ তৰ
মাধ্যম হিচাপে সঞ্চয়ৰ ভাণ্ডাৰ হিচাপে কাম কৰে। ব
মুদ্ৰাই সঞ্চয় মূল্যৰ ভাণ্ডাৰ হিচাপে কাম কৰি ব্যক্তিৰ
কৰাৰ লগতে সময় ভিত্তিক ঋণৰ লেনদেন কাৰ্য্য

সেৱা বিনিময়ত মুদ্ৰাৰ সৰ্ব্বজন গ্ৰহণযোগ্যতা। দ্ৰব্যৰ প্ৰত্যক্ষ বিনিময় বা পণ্য বিনিময় প্ৰথাৰ মুল অসুবিধা, অভাৱৰ সম্পৰ্কহীনতা সমস্যা বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাই দূৰ কৰিলে। বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাই সমাজক বিভিন্ন প্ৰকাৰে লাভান্বিত কৰে। প্ৰথমে, মুদ্ৰাই পণ্য বিনিময় প্ৰথাৰ অসুবিধা আৰু সমস্যাবোৰ দূৰ কৰে। দ্বিতীয়তে, বয়-বস্তু আৰু সেৱাৰ গুণিতক বিনিময় কম সময়ত সম্ভৱ কৰি লেনদেনৰ কাৰ্যকাৰিতা বৃদ্ধি কৰে। তৃতীয়তে, বণ্টনৰ কাৰ্য্যদক্ষতা বৃদ্ধি কৰি উৎপাদন আৰু ব্যৱসায় বাণিজ্যৰ বিশেষীকৰণত সহায় কৰে। চতুৰ্থতে, মুদ্ৰাই ব্যক্তিৰ দ্ৰব্য সামগ্ৰী নিৰ্বাচনৰ স্বাধীনতা সম্ভৱ কৰে।

অৱশ্যে কিছুসংখ্যক অৰ্থনীতিবিদে উল্লেখ কৰে যে, মুদ্ৰাই কেৱল বিনিময়ৰ মাধ্যম হিচাপেই কাম নকৰে; ই পৰিশোধৰ মাধ্যম হিচাপেও কাৰ্য্য সম্পাদন কৰে। তেওঁলোকে এনেদৰে পৰিশোধৰ পৰা বিনিময়ক পৃথক কৰিছে। অৱশ্যে প্ৰত্যেকটো পৰোক্ষ বিনিময়ৰ ক্ষেত্ৰতে পৰিশোধ জড়িত হৈ থাকে। গতিকে পৰিশোধ আৰু বিনিময়ৰ মাজত পাৰ্থক্যৰ প্ৰয়োজন নাই।

(ii) **মূল্যৰ জোখ** (Measure of Value) ঃ মুদ্ৰাই মূল্য জোখৰ সাধাৰণ মাধ্যম হিচাপে কাৰ্য্য কৰে; যাৰ জৰিয়তে বিভিন্ন দ্ৰব্য সামগ্ৰী আৰু সেৱা মূল্যৰ জোখ আৰু প্ৰকাশ কৰা হয়। মুদ্ৰাই বজাৰৰ বিভিন্ন সামগ্ৰী আৰু সেৱাৰ দামৰ তুলনাৰ জৰিয়তে লেনদেন সমস্যা সহজ আৰু সৰলীকৰণ কৰে।

মুদ্ৰাই হিচাপৰ একক হিচাপেও কাম কৰে; ই হিচাপ পদ্ধতি কাৰ্য্যদক্ষ কৰাত সহায় কৰে কাৰণ বিভিন্ন দ্ৰব্য সামগ্ৰী বিভিন্ন এককত যেনে, কুইন্টল, মিটাৰ, লিটাৰ ইত্যাদিত প্ৰকাশ কৰি একেলগ কৰা হয়। ইয়ে বিভিন্ন দ্ৰব্যৰ সময় ভিত্তিক আৰু অঞ্চলভিত্তিক তুলনা সম্ভৱ কৰে। জাতীয় আয়ৰ হিচাপ, প্ৰকল্পৰ ব্যয়, উৎপাদনী প্ৰতিষ্ঠানৰ লাভ-লোকচান হিচাপৰ ইয়েই একমাত্ৰ ভিত্তি।

অৱশ্যে কেতিয়াবা দ্ৰব্য সামগ্ৰী ঋণৰ জৰিয়তে ক্ৰয় কৰা হয় আৰু দ্ৰব্যৰ মূল্য হিচাপৰ বহীত লিখা হয়। সময়ৰ লগে লগে বিক্ৰেতাই তেওঁৰ প্ৰয়োজনীয় দ্ৰব্যসমূহ পূৰ্বৰ ক্ৰেতাৰ পৰা সংগ্ৰহ কৰি হিচাপৰ সমতা স্থাপন কৰে। এনে ক্ষেত্ৰত মুদ্ৰা শাৰিৰীকভাৱে দৃশ্যপটলৈ নাহে, কিন্তু হিচাপৰ বহীত অন্তৰ্ভূক্ত কৰা হয়। গতিকে, ইয়াৰ পৰা দেখা যায় যে, ঋণেও মুদ্ৰা প্ৰতিনিধিত্ব কৰে।

এক প্ৰকাৰৰ মুদ্ৰা বিনিময় আৰু পৰিশোধৰ মাধ্যম হিচাপে কাৰ্য্য কৰাৰ বিপৰীতে অন্য এক প্ৰকাৰৰ মুদ্ৰাই, মূল্যৰ জোখ (Unit of account) লোৱাৰ উদাহৰণ পোৱা যায়। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে ১৯২৩-২৪ চনত জাৰ্মানীত যেতিয়া দৰম্ভৰ অত্যন্ত বৃদ্ধি পাইছিল, তেতিয়া বিনিময় কাৰ্য্য আমেৰিকান ডলাৰ বা চুইচ ফ্ৰেংকত কৰা হৈছিল আৰু প্ৰকৃত পৰিশোধ কাৰ্য্য জাৰ্মাণ মাৰ্কৰ জৰিয়তে প্ৰকাশ কৰা হৈছিল। অৱশ্যে এই ক্ষেত্ৰত দুয়োটা মুদ্ৰাৰ মাজত তুলনা কৰা হয়। অৱশ্যে ই এক কাৎসিত পৰিস্থিতি আৰু দীৰ্ঘদিনৰ বাবে নাছিল।

2. **মুদ্ৰাৰ গৌণ কাৰ্য্যৱলী** (Secondary Functions of Money) ঃ

(i) **মূল্যৰ সঞ্চয়** (Store of Value) ঃ মুদ্ৰাৰ তৰলতাই মূল জোখ আৰু পৰিশোধৰ এক সৰ্বজন গৃহীত মাধ্যম হিচাপে সঞ্চয়ৰ ভাণ্ডাৰ হিচাপে কাম কৰে। কাৰণ মুদ্ৰা ব্যয় আৰু সঞ্চয়ৰ কাৰণে এক উত্তম মাধ্যম। মুদ্ৰাই সঞ্চয় মুল্যৰ ভাণ্ডাৰ হিচাপে কাম কৰি ব্যক্তিৰ অনিশ্চিত ভৱিষ্যত আৰু জৰুৰীকালীন সমস্যা সমাধান কৰাৰ লগতে সময় ভিত্তিক ঋণৰ লেনদেন কাৰ্য্য সমাধান কৰে। তাৰোপৰি মুদ্ৰাই ভৱিষ্যত ক্ৰয়-বিক্ৰয়ৰ

সুবিধা সৃষ্টিৰ লগতে নিশ্চয়তা প্ৰদান কৰে। মুদ্ৰাৰ তৰলতা গুণে ইয়াৰ গৰাকীক যিকোনো সময়তে যিকোনো সম্পত্তি ক্ৰয় কৰাত সহায় কৰে। কেইনছে পোন প্ৰথম বাৰৰ বাবে মুদ্ৰাৰ তৰলতা গুণৰ জৰিয়তে বৰ্তমান আৰু ভৱিষ্যতৰ মুদ্ৰা মূল্যৰ মাজত সম্পৰ্ক স্থাপন কৰে। অৱশ্যে মুদ্ৰাৰ তৰলতা এক সঞ্চিত মূল্য হিচাপে পৰিগণিত হ'বলৈ মুদ্ৰাৰ মূল্য নিশ্চিতভাৱে স্থিৰে থাকিব লাগিব। সেয়েহে, মুদ্ৰাই সঞ্চিত মূল্যৰ ভঁৰাল হিচাপে কাৰ্য্য কৰে। মুদ্ৰা মজুতৰ কাৰণে বেছি ঠাইৰ প্ৰয়োজন নহয় নাইবা সময় পাৰ হোৱাৰ লগে লগে ইয়াৰ ক্ষয়-ক্ষতি নহয়। গতিকে, নগদ মুদ্ৰা যাৰ হাতত থাকে তেওঁ যিকোনো দ্ৰব্য যিকোনো সময়তে ক্ৰয় কৰিব পাৰে।

(ii) **স্থগিত দেনা-পাওনাৰ মান** (Standard of Deferred Payment) **:** মুদ্ৰাক যেতিয়া বিনিময়ৰ মাধ্যম আৰু মূল্য জোখৰ একক হিচাপে সকলোৱে গ্ৰহণ কৰে তেনে ক্ষেত্ৰত স্বাভাৱিক মুদ্ৰাই ভৱিষ্যতৰ দেনা-পাওনাৰ একক প্ৰতিনিধিত্ব কৰে। মুদ্ৰাই বিনিময়ৰ মাধ্যম হিচাপে কেৱল বৰ্তমানৰ লেনদেনেই সমাধা নকৰে ই স্থগিত দেনা-পাওনাৰ আহিলা হিচাপে ভৱিষ্যতৰ ঋণ লেনদেনৰ কাৰ্য্যও সমাধান কৰে। কিন্তু ভৱিষ্যতৰ দেনা-পাওনাৰ লেনেদেনৰ ক্ষেত্ৰত মুদ্ৰাৰ মূল্য সময়ৰ লগে লগে স্থিৰে থাকিব লাগিব। যদি সময়ৰ লগে লগে মুদ্ৰাৰ মূল্য বৃদ্ধি পায় (অৰ্থাৎ দৰম্ভৰ হ্ৰাস পায়), তেনে ক্ষেত্ৰত ইয়ে ঋণ দিওতাজনক লাভাম্বিত কৰিব আৰু ঋণীজন লোকচানৰ সন্মুখীন হ'ব। আনহাতে যদি মুল্য-মূল্য হ্ৰাস পায় (অৰ্থাৎ মূল্যস্তৰ বৃদ্ধি পায়) তেন্তে ঋণীজনক লাভাম্বিত কৰিব আৰু ঋণ দিওতাজন লোকচানৰ সন্মুখীন হ'ব।

সাধাৰণতে, অন্যান্য দ্ৰব্যৰ তুলনাত মুদ্ৰাৰ মূল্য স্থিৰে থাকে। গতিকে স্থগিত দেনা-পাওনাৰ ক্ষেত্ৰত সন্মুখীন হোৱাৰ কাৰণ নাই। মুদ্ৰাৰ এই কাৰ্য্যই ঋণ লেনদেন কাৰ্য্য সুবিধাজনক কৰি তুলিছে। গতিকে বৰ্তমান সময়ত মুদ্ৰাৰ এই কাৰ্য্য অতি গুৰুত্বপূৰ্ণ।

(iii) **মূল্য হস্তান্তৰ** (Transfer of Value) **:** মুদ্ৰাই মূল্য হস্তান্তৰৰ আহিলা হিচাপেও কাৰ্য্য সম্পাদন কৰে। মুদ্ৰাৰ জৰিয়তে সহজে আৰু খৰতকীয়াভাৱে এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ মূল্য হস্তান্তৰ কৰিব পাৰি। কাৰণ মুদ্ৰা যিকোনো ঠাইত যিকোনো ব্যক্তিয়ে গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে, এক লাখ টকা বেংক ড্ৰাফ্টৰ জৰিয়তে অমৃতচৰৰ A নামৰ ব্যক্তিজনৰ পৰা মুম্বাইৰ B নামৰ ব্যক্তিজনলৈ হস্তান্তৰ কৰা অতি সহজ কিন্তু দ্ৰব্য সামগ্ৰীৰ ক্ষেত্ৰত এনে হস্তান্তৰ কষ্টসাধ্য। তাৰোপৰি এখন ঠাইৰ ৰাহি বা উদ্বৃত মূলধন আন ঠাইত প্ৰয়োজন অনুসৰি বিনিয়োগ সম্ভৱ হৈছে মূল্য হস্তান্তৰৰ কাৰণে। মূলধনৰ আন্তৰ্জাতিক গতিশীলতাৰ ক্ষেত্ৰ সম্ভৱ হোৱাৰ মূল কাৰণ হ'ল মুদ্ৰা মূল্যৰ হস্তান্তৰ কাৰ্য্যৰ বহুল প্ৰয়োগ।

### 3. মুদ্ৰাৰ আনুসংগিক কাৰ্য্যাৱলী (Contingent functions of Money) :

মুদ্ৰাৰ এই কাৰ্য্যাৱলী সমূহ সমাজত প্ৰচলিত কোনো বিশেষ অৰ্থনৈতিক পৰিস্থিতিত কাৰ্য্যকৰী হয়। এই কাৰ্য্যাৱলী সমূহ তলত উল্লেখ কৰা ধৰণে বিশ্লেষণ কৰিব পাৰি।

(i) **মূলধনৰ তৰলতা** (Making Capital Liquid) **:** মুদ্ৰাৰ সঞ্চিত ভঁৰালে মূলধনৰ যোগান ধৰে। বৰ্তমান আৰ্থিক ব্যৱস্থাত উৎপাদনৰ উপাদান সমূহ ক্ৰয় বা ভাড়ালৈ আনি উৎপাদন কাৰ্য্য পৰিচালনা কৰা হয়। এইটো সম্ভৱ কেৱল মূলধনৰ তৰলতা গুণৰ বাবে। অংশপত্ৰৰ গৰাকীয়ে তেওঁলোকৰ মূলধন, মুদ্ৰা ক...



কোম্পানীত বিনিয়োগৰ চুক্তি সম্পাদন কৰে। ইয়াৰ বিনিময়ত তেওঁলো... কৰে।

(ii) **জাতীয় আয় বিতৰণ** (Distribution of National Income) **:** মুদ্ৰা... মাজত বিতৰণ সম্ভৱ কৰি তোলে। এখন দেশৰ জাতীয় আয় যৌথভা... গৰাকী আৰু উদ্যোক্তাই উৎপাদন কৰে। ইয়াৰ বিনিময়ত উৎপাদনৰ উপ... বিতৰণ কৰা হয়। গতিকে মুদ্ৰাই জাতীয় আয় মজুৰি, খাজনা, সুদ আৰু লা...

(iii) **ঋণ-ব্যৱস্থাৰ ভিত্তি** (Basis for credit system) **:** বৰ্তমান সময়ত ... কাম-কাজ ঋণৰ ওপৰত নিৰ্ভৰ কৰে। ব্যক্তিয়ে তেওঁলোকৰ সঞ্চিত মু... সঞ্চয়ৰ ওপৰত ভিত্তি কৰি বেংকে ঋণ মুদ্ৰা সৃষ্টি কৰে।

(iv) **উৎপাদনৰ উপাদান সমূহৰ কাৰ্য্যদক্ষতা বৃদ্ধি** (Raising efficiency of ... tion) **:** উৎপাদনৰ উপাদান সমূহৰ একাধিক গোটৰ সংমিশ্ৰনত উৎপ... উপাদান সমূহৰ পৰা আকাংক্ষিত উৎপাদন লাভ কৰিবলৈ সম্পূৰ্ণ পাৰি... কাৰ্য্য সম্ভৱ হৈছে কেৱল মুদ্ৰা ব্যৱহাৰৰ কাৰণে।

(v) **সৰ্বাধিক সন্তুষ্টি** (Maximinsation of Satisfaction) **:** মুদ্ৰাই উৎ... লাভ আৰু সন্তুষ্টি সৰ্বাধিক কৰাত সহায় কৰে। এজন ভোক্তাই তেওঁৰ ... ব্যয় কৰে যাতে প্ৰত্যেকটো দ্ৰব্য ভোগৰ জৰিয়তে সৰ্বাধিক সন্তুষ্টি ... লাভৰ ক্ষেত্ৰত ভোক্তাজনে প্ৰত্যেকটো দ্ৰব্যৰ দাম আৰু প্ৰত্যেকটো দ্ৰব্যৰ ... মাজত সমতা স্থাপন কৰে। একেদৰে, উৎপাদনকাৰী এজনৰ লক্ষ্য হ'ল ... লাভ আহৰণ কৰা। লাভ সৰ্বাধিকৰ বাবে উৎপাদনকাৰী এজনে এক এক... (Marginal Productivity)ৰ সৈতে উপাদানটোৰ দৰৰ মাজত সম...

গতিকে, চমুকৈ মুদ্ৰাৰ বিভিন্ন কাৰ্য্যাৱলী সমূহ তলত উল্লেখ কৰা ধৰণে দে...

Money is a matter of functions four
A medium, a measure, a standard, a store,
As this does not complete the picture,
We may add transferability more.